**REGIONAL NEWS UNIT**
AKASHVANI
GUWAHATI
0000000000

**Date : 14-08-2026**
**Time :  21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

কাইলৈ দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত কয় যে ১৯৪৭ চনৰ ১৫ আগষ্টত দেশ পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত হৈছিল। দেশৰ সকলো নাগৰিক বিশেষকৈ শিক্ষাৰ্থী আৰু শিক্ষক, বিজ্ঞানী আৰু অভিযন্তা, চিকিৎসক আৰু স্বাস্থ্যকৰ্মী, শ্ৰমিক আৰু কৃষক সকলোৱে নিজ নিজ প্ৰয়াসেৰে ৰাষ্ট্ৰ নিৰ্মাণত জড়িত হৈ আছে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০৪৭ বৰ্ষত ভাৰতে স্বাধীনতাৰ শতবৰ্ষ উদযাপন কৰিব। সেয়েহে বিকশিত ভাৰত নিৰ্মাণৰ লক্ষ্যৰে দেশে লাভ কৰা বিকাশৰ জৰিয়তে প্ৰতিগৰাকী লোকে যাতে উপকৃত হব পাৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সংকল্প গ্ৰহণ কৰিছে। নিজৰ সমৃদ্ধ ঐতিহ্য আৰু স্বাধীনতা সংগ্ৰামৰ আদৰ্শক সৰোগত কৰি দেশ আধুনিকতা আৰু বিকাশৰ পথত অগ্ৰসৰ হ'ব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। **ৱয়ং ৰাষ্ট্ৰে জাগৃয়াম** - বেদবাক্যই আমাক ৰাষ্ট্ৰৰ বাবে সদা সতৰ্ক হৈ থকাৰ প্ৰেৰণা দি আহিছে বুলিও তেওঁ উল্লেখ কৰে।  জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত দেশবাসী স্বাধীনতা সংগ্ৰামত জপিয়াই পৰাৰ লগতে স্বাধীন ভাৰতৰ বাবে বাবা চাহেব ড০ ভীমৰাও আম্বেদকাৰে সামাজিক উন্নয়ন তথা ৰাষ্ট্ৰ নিষ্ঠাৰ উচ্চ আদৰ্শ প্ৰস্তুত কৰে। ভাৰত মাতৃৰ এই সকল মহান সন্তানক ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰণিপাত জনোৱাৰ লগতে তেওঁলোকৰ আদৰ্শৰে দেশে স্বাধীনতা লাভ কৰে আৰু প্ৰগতিৰ দিশত আগবাঢ়ি যোৱাৰ কথাও ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। ইপিনে, আজিৰ দিনটো বিভাজন বিভিষিকা দিৱস হিচাপে পালন কৰাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশ বিভাজনৰ সেই সময়ত সংঘটিত হিংসাত্মক ঘটনাত নিহত হোৱা আৰু স্থানান্তৰণ যন্ত্ৰনা সহিবলৈ বাধ্য হোৱা সকলোকে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সংবিধানত উল্লেখ থকা কাৰ্যপালিকা, বিধায়িনী তথা ন্যায়পালিকাৰ কৰ্তব্য আৰু দায়িত্বৰ কথা সোঁৱৰণ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশৰ প্ৰতিগৰাকী নাগৰিকক সমতাৰ ভিত্তিত সন্মান তথা মৰ্যাদাসহ ন্যায় দিব পাৰিব লাগিব। শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেল, মহাত্মা জুতিকা ফুলে, সাবিত্ৰী বাই ফুলে আদি মহান লোকসকলৰ অৱদানক শ্ৰদ্ধাৰে উল্লেখ কৰে। শেহতীয়া কমনৱেল্থ ক্ৰীড়া প্ৰতিযোগিতাত ভাৰতৰ উল্লেখনীয় সফলতাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহিলাসকলক আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে চৰকাৰৰ প্ৰয়াসৰ কথাও ভাষণত প্ৰকাশ কৰে।

০০০০

সমগ্ৰ দেশত কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত কেন্দ্ৰীয়ভাৱে  আয়োজন কৰা স্বাধীনতা দিৱসৰ অনুষ্ঠানত পতাকা উত্তোলন কৰিব। খানাপাৰাত

হ'বলগীয়া কুচ-কাৱাজ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অনুশীলন পূৰ্ণগতিত অব্যাহত আছে। স্বাধীনতা দিৱসৰ কুচ-কাৱাজত এইবাৰ প্ৰথমবাৰৰ বাবে বিহু সংযোজন কৰা হ'ব। এছ এফ এছ স্কুলৰ ছাত্ৰীসকলৰ বেঙে পৰিৱেশন কৰিবলগীয়া বিহু এইবাৰৰ কুচ-কাৱাজৰ মূল আকৰ্ষণৰূপে বিবেচিত হৈছে। ইয়াৰ সমান্তৰালভাৱে বিভিন্ন জিলা সদৰত মন্ত্ৰী বিধায়কসকলে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়তো ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি চৌহদত পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

০০০০

দেশৰ স্বাধীনতাৰ গৌৰৱময় যাত্ৰাৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৰ ঘৰ তিৰংগা অভিযানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ পৰা খানাপাৰা খেল পথাৰলৈ আজি বিয়লি উলিওৱা হৰ ঘৰ তিৰংগা যাত্ৰাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াও অংশগ্ৰহণ কৰে। দেশৰ স্বাধীনতা, অখণ্ডতা, ঐক্য আৰু সাৰ্বভৌমত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি উলিওৱা এই গৌৰৱময় যাত্ৰাত বিজেপিৰ ভালেসংখ্যক বিষয়ববীয়া আৰু সদস্যইও অংশগ্ৰহণ কৰে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে বজালী জিলা সমিতিৰ উদ্যোগত আজি পাঠশালাত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত বিজেপিৰ বজালী জিলা সমিতিৰ সদস্যসকলে জনসাধাৰণৰ মাজত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰে। লাহৰীঘাটতো আজি সমজিলা প্ৰশাসনৰ উদ্যোগত লাহৰীঘাট উন্নয়ন খণ্ডৰ অংগনবাড়ী কৰ্মীসকলে ৰাষ্ট্ৰীয় গীত পৰিবেশন কৰে।

গোৱালপাৰা জিলা প্ৰশাসনে হৰ ঘৰ তিৰংগা অভিযানৰ লগত সংগতি ৰাখি আজি নটসূৰ্য ফণী শৰ্মা ভৱনত বিভাজন বিভীষিকা স্মৃতি দিৱস শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে।

ডিব্ৰুগড়, বিশ্বনাথ, তামুলপুৰ, বাক্সা জিলাতো আজি হৰ ঘৰ তিৰংগা অভিযানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০

শেহতীয়াকৈ অসম অৰুণাচল সীমান্তৱৰ্তী মিংমাং বদতিত সংঘটিত গুলিচালনাৰ ঘটনা সন্দৰ্ভত গোগামুখত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ধেমাজী জিলা সমিতিয়ে আজি যোৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে এই ঘটনাত জড়িত দোষীক কঠোৰ শাস্তি বিহাৰ লগতে ৰাজ্যত ইনাৰলাইন পাৰমিটৰ প্ৰচলন কৰিবৰ বাবে চৰকাৰক দাবী জনায়।

০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত **বন্দে মাতৰমৰ পৰা তিৰংগালৈ- স্বাধীনতাৰ উদযাপন** বিষয়ত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব গুৱাহাটী মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, নাট্যকাৰ তথা নাট পৰিচালক নৰেন পাটগিৰি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদীপ ভাগৱতীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙীয়াই।

০০০০

**সমাপ্ত**